**6 SEM TDC ASM M 1**

**2020**

ASSAMESE

( Major )

Course : 601

( ভাষা-সাহিত্য অধ্যয়নৰ বিবিধ দিশ )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) কথাছবি কোন শ্ৰেণীৰ গণমাধ্যম ?

(খ) অসমত প্ৰথমে কোনে ছপাশাল স্থাপন কৰিছিল ?

(গ) Media শব্দৰ অসমীয়া প্ৰতিশব্দ কি ?

(ঘ) 'বিজ্ঞান জেউতি' কোন শ্ৰেণীৰ আলোচনী ?

(ঙ) 'সংবাদ, সংবাদপত্ৰ আৰু সাংবাদিকতা' গ্ৰন্থৰ লেখক কোন ?

(চ) ''বাতৰি পৰিৱেশনত ভাষাৰ শুদ্ধতাৰ লগতে ঘটনাৰ যথাযথ বৰ্ণনাও গুৰুত্বপূৰ্ণ।'' সঁচা নে মিছা?

(ছ) PTIৰ সম্পূৰ্ণ ৰূপটো লিখাঁ।

(জ) 'গৰীয়সী' আলোচনীৰ বৰ্তমান সময়ৰ সম্পাদকজনৰ নাম লিখাঁ।

২। (ক) গণমাধ্যমৰ এটি সাধাৰণ পৰিচয় দাঙি ধৰি অনাতাঁৰ মাধ্যমৰ বিশেষত্ব সম্পৰ্কে আলোচনা কৰাঁ। ৪+১০=১৪

*অথবা*

(খ) গণমাধ্যমত নতুনকৈ সংযোগ ঘটা নব্য-গণমাধ্যমসমূহৰ বিষয়ে এটি আলোচনামূলক টোকা যুগুত কৰাঁ। ১৪

৩। (ক) ছপা মাধ্যমৰ লেখন-কলা সম্পৰ্কে আলোচনা আগবঢ়াই উদাহৰণস্বৰূপে এটি কলাসন্মত বাতৰি পৰিৱেশন কৰাঁ। ১০+৪=১৪

*অথবা*

(খ) চমু টোকা লিখাঁ : ৭×২=১৪

(১) ছপা মাধ্যমত বিজ্ঞাপনৰ ভাষা

(২) দূৰদৰ্শনত পৰিৱেশিত বাতৰিৰ লেখন-কলা

৪। (ক) পুথি সম্পাদনাৰ ক্ষেত্ৰত সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৪

*অথবা*

(খ) পাঠসমীক্ষা সম্পৰ্কে বিভিন্ন দিশসমূহ সামৰি এটি টোকা যুগুত কৰাঁ।

৫। (ক) সাহিত্যৰ সমাজতত্ত্ব মানে কি? বিষয়টোৰ ধাৰণা স্পষ্ট কৰি এটি আলোচনা যুগুত কৰাঁ। ৪+১০=১৪

*অথবা*

(খ) সাহিত্যৰ অধ্যয়নত সমাজতাত্ত্বিক দৃষ্টিভঙ্গীৰ প্ৰয়োজনীয়তাৰ বিষয়ে তোমাৰ মতামত ব্যক্ত কৰি এটি টোকা লিখাঁ। ১৪

৬। (ক) একবিংশ শতিকাৰ অসমীয়া আলোচনীসমূহৰ গতি-প্ৰকৃতি সম্পৰ্কে বিৱৰি লিখাঁ। ১৬

*অথবা*

(খ) চমু টোকা লিখাঁ : ৮×২=১৬

(১) একবিংশ শতিকাৰ অসমীয়া শিশু আলোচনী

(২) একবিংশ শতিকাৰ অসমীয়া দৈনিক বাতৰি কাকত

★ ★ ★

Total No. of Printed Pages—3

**6 SEM TDC ASM M 2**

**2020**

# ASSAMESE

( Major )

Course : 602

**( ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো **চাৰিটা** অংশ) : ৩×৪=১২

(ক) ৱিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনং।
ৱিদ্যা ভোগকৰী যশঃ সুখকৰী ৱিদ্যা গুৰূণাং গুৰুঃ॥

(খ) ইধ ন কিংচি জীৱং আৰভিত্পা প্ৰজূহিতৱ্যং। ন চ সমাজো কতৱ্যো।

(গ) সে ইদানি য়দা ইয়ং ধংমলিপি লেখিতা তদা তিংনি য়েৱ পাননি আলভিয়ংতি দুৱে মজুলা একে মিগে।

(ঘ) উট্‌ঠানেনপ্‌পমাদেন সঞ্‌ঞমেন দমেন চ।
দীপং কয়িৰাথ মেধাবী যং ওঘো নাভিকীৰতি॥

(ঙ) অমঅমঅ গঅণসেহৰ ৰঅণীমুহতিলঅ চন্দ দে ছিবসু।
ছিত্তো জেহিং পিঅঅমো মমং পি তেহিং চিঅ কৰেহিং॥

(চ) তহ তণও কুলকমলো পাইঅ কব্বেসু গীয় বিসয়েসু।
অদ্দহমাণপসিদ্ধো সংণেহৰাসয়ং ৰইয়ং॥

২। উল্লিখিত ১ নং প্ৰশ্নৰ তলত আঁচটনা শব্দবোৰৰ মাজৰ পৰা বাছি লৈ যি কোনো তিনিটা শব্দৰ সংস্কৃত ৰূপটো লিখাঁ। ৩

৩। (ক) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰ বিভাজনৰ আভাস দি মধ্যভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ। ৬+৮=১৪

*অথবা*

(খ) অশোকৰ অনুশাসন কি? এইবোৰ মধ্যভাৰতীয় আৰ্যভাষাৰ কোনটো উপস্তৰৰ? এই অনুশাসনসমূহৰ উমৈহতীয়া ভাষিক বৈশিষ্ট্যৰ পৰিচয় দিয়াঁ। ৩+১+১০=১৪

৪। (ক) সংস্কৃত আৰু প্ৰাকৃতৰ স্বৰবৰ্ণবোৰৰ দুখন তালিকা প্ৰস্তুত কৰি সেইবিলাকৰ এটি তুলনামূলক টোকা যুগুত কৰাঁ। ৮+৭=১৫

*অথবা*

(খ) সংস্কৃত সন্ধি আৰু পালি সন্ধিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰাঁ। ১৫

৫। অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে আগবঢ়োৱা বিভিন্ন মতবোৰ উল্লেখ কৰি কামৰূপী প্ৰাকৃত সম্পৰ্কীয় মতটো বিচাৰ কৰাঁ। ৪+৬=১০

৬। (ক) অসমীয়া ভাষাৰ ইতিহাসৰ বিভিন্ন স্তৰসমূহৰ এটি থূলমূল পৰিচয় দিয়াঁ। ১৪

*অথবা*

(খ) মধ্যযুগৰ অসমীয়া ভাষাৰ ধ্বনিগত, ৰূপগত আৰু শব্দসম্ভাৰগত বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো এটা) : ৬

(ক) প্ৰত্ন অসমীয়া ভাষা

(খ) ব্ৰজাৱলী ভাষা

(গ) সাম্প্ৰতিক অসমীয়া ভাষাত বিশ্বায়নৰ প্ৰভাৱ

৮। চমু উত্তৰ লিখাঁ :

(ক) 'বিক্ৰমোৰ্ব্বশীয়ম্' নাটকখন কাৰ ৰচনা? ১

(খ) 'গাহাসত্তসঈ' কাব্যখন কি প্ৰাকৃতত ৰচিত? ১

(গ) আধুনিক অসমীয়া ভাষাৰ উপস্তৰ কেইটা আৰু কি কি? ২

(ঘ) 'ত্ৰিপিটক'ৰ ভাষা কি? ১

(ঙ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থখন কাৰ ৰচনা? ১

★★★

Total No. of Printed Pages—4

# 6 SEM TDC ASM M 3

## 2020

## ASSAMESE

( Major )

Course : 603

( অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ধ্বনিবিজ্ঞান কাক বোলে? ইয়াৰ প্ৰতিটো ভাগ সামৰি এটি আলোচনা যুগুত কৰাঁ। ২+১২=১৪

*অথবা*

(খ) চমুকৈ লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(১) বাগিন্দ্ৰিয়ৰ পৰিচয়

(২) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ সংজ্ঞা লিখি সম্পৰ্ক বিচাৰ

(৩) ধ্বনিৰ পৰা বৰ্ণ নিৰূপণ প্ৰক্ৰিয়া

২। যি কোনো এটাৰ বিষয়ে চমু টোকা লিখাঁ : ৬

(ক) সমীভৱন আৰু ইয়াৰ প্ৰকাৰ

(খ) আগম

৩। (ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিকেইটাৰ তালিকা প্ৰস্তুত কৰি প্ৰত্যেকৰে বিৰোধ প্ৰদৰ্শন কৰাঁ। ১০

অথবা

(খ) নিয়ত বৰ্ণ বুলিলে কি বুজা? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া ভাষাৰ নিয়ত বৰ্ণসমূহৰ তালিকা প্ৰস্তুত কৰি আদি অৱস্থানত বিৰোধ প্ৰদৰ্শন কৰাঁ। ২+৪+৪=১০

৪। যি কোনো তিনিটাৰ বিষয়ে লিখাঁ : ৫×৩=১৫

(ক) অসমীয়া ভাষাৰ শ্বাসাঘাত

(খ) আকৃতিৰ পৰা প্ৰাকৃতি নিৰ্ণয়

(গ) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ মাজৰ পাৰ্থক্য

(ঘ) সৰ্গৰ অৱস্থানগত প্ৰকাৰ

(ঙ) গঠন অনুসৰি অসমীয়া শব্দৰ ভাগ

৫। (ক) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়সমূহৰ বিষয়ে এটি নাতিদীৰ্ঘ আলোচনা যুগুত কৰাঁ। ২+১২=১৪

*অথবা*

(খ) যি কোনো দুটাৰ বিষয়ে লিখাঁ : ৭×২=১৪

(১) প্ৰত্যয় আৰু অসমীয়া বিষমবৰ্গীয় শব্দসাধনৰ প্ৰত্যয়

(২) অসমীয়া ভাষাৰ বচন

(৩) অসমীয়া ভাষাৰ কাৰক-বিভক্তি আৰু ইয়াৰ প্ৰয়োগ

৬। যি কোনো দুটাৰ বিষয়ে লিখাঁ : ৭×২=১৪

(ক) গঠন অনুসৰি বাক্যৰ প্ৰকাৰ

(খ) বাক্যৰ আকাংক্ষা, যোগ্যতা আৰু আসত্তি

(গ) খণ্ডবাক্য আৰু ইয়াৰ ভাগ

৭। চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) অসমীয়া ভাষাৰ কেন্দ্ৰীয় স্বৰবৰ্ণটো কি?

(খ) কোনবিলাক ধ্বনিয়ে শ্বাসাঘাত বহন কৰিব পাৰে?

(গ) অসমীয়া ভাষাত ৰচিত ধ্বনিবিজ্ঞান সম্পৰ্কীয় প্ৰথমখন গ্ৰন্থৰ নাম লিখাঁ।

( Turn Over )

(ঘ) 'স্থান>থান'—ইয়াত ধ্বনি পৰিৱৰ্তনৰ কোনটো নিয়ম প্ৰয়োগ হৈছে?

(ঙ) অসমীয়া ভাষাৰ দুটা স্ত্ৰী প্ৰত্যয় উল্লেখ কৰাঁ।

(চ) পদৰ যোগ্যতা কি কি বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে?

(ছ) অসমীয়া ভাষাৰ দুটা লয় বৰ্ণৰ নাম লিখাঁ।

★ ★ ★

**6 SEM TDC ASM M 4**

**2020**

ASSAMESE

( Major )

Course : 604

( বিশ্ব সাহিত্যৰ পৰিচয় )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) বিশ্ব সাহিত্য অভিধাটো ভাৰতবৰ্ষত প্ৰথম কোনে ব্যৱহাৰ কৰিছিল?

(খ) *The Dead Man Walking* কবিতাটিৰ কবিজনাৰ নামটো লিখাঁ।

(গ) 'লৰকা'ৰ সম্পূৰ্ণ নামটো কি?

(ঘ) 'উপমা কালিদাসস্য' গ্ৰন্থখনৰ লেখকজনৰ নামটো লিখাঁ।

(ঙ) 'সময়ৰ সন্তানবোৰ' কবিতাটো কোনটো বিপ্লৱৰ পটভূমিত ৰচিত?

(চ) 'কিং লিয়েৰ'ৰ কৰ্ডেলিয়া চৰিত্ৰটি 'অশ্ৰুতীৰ্থ'ত কি বুলি নামকৰণ কৰা হৈছে?

(ছ) আফ্‌কে আৰু মাৰ্টিনৰ সন্তান কেইটা আছিল?

(জ) *The Black Man's Son* কবিতাটিৰ কবিজনাৰ নামটো লিখাঁ।

(ঝ) মোপাছাঁ কোন দেশৰ গল্পকাৰ?

(ঞ) 'আফ্‌কে'জ টেন' উপন্যাসখনৰ অসমীয়া অনুবাদকজনৰ নাম উল্লেখ কৰাঁ।

২। (ক) বিশ্বসাহিত্য সম্পৰ্কে ৰবীন্দ্ৰনাথ ঠাকুৰৰ ধাৰণাৰ আলমত এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) "বিশ্বসাহিত্য ৰচিত হোৱাৰ কোনো বেলেগ দেশ নাই, ভাষা নাই, কোনো বেলেগ সময়ো নাই।" কথাষাৰৰ আলমত বিশ্বসাহিত্য সম্পৰ্কে এটি পৰিচয়মূলক টোকা লিখাঁ।

৩। (ক) 'অভিজ্ঞানশকুন্তলম্' নাটকৰ চতুৰ্থ অংকত সন্নিৱিষ্ট চাৰিটা শ্লোকৰ তাৎপৰ্য ব্যাখ্যা কৰি এটি টোকা যুগুত কৰাঁ। ১৪

( Continued )

*অথবা*

(খ) কি কি বিশেষত্বৰ বাবে 'অভিজ্ঞানশকুন্তলম্'ৰ চতুৰ্থ অংকটো নাটকখনৰ ভিতৰতে শ্ৰেষ্ঠ তথা সৰ্বোৎকৃষ্ট বুলি কোৱা হয়? বিশ্লেষণ কৰাঁ।

৪। (ক) চুটিগল্পৰ সম্ৰাটৰূপে খ্যাত মোপাছাঁৰ চমু পৰিচয় দাঙি ধৰি 'হীৰাৰ হাৰ' গল্পটোৰ কাহিনীবস্তু বৰ্ণনা কৰাঁ। ৪+১০=১৪

*অথবা*

(খ) 'মাৰুচীৰ স্বপ্ন' গল্পটোক চেখভৰ উৎকৃষ্ট সৃষ্টি বুলি কিয় কোৱা হয়? এটি আলোচনা আগবঢ়োৱাঁ। ১৪

৫। কবি পৰিচয়ৰ লগতে সাহিত্যকৰ্মৰ আভাস দি তোমাৰ পাঠ্যক্ৰমৰ যি কোনো এটা কবিতাৰ সমালোচনা আগবঢ়োৱাঁ। ৭+৭=১৪

৬। (ক) 'অশ্ৰুতীৰ্থ' নাটকৰ যি কোনো দুটা চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱাঁ। ৮+৮=১৬

*অথবা*

(খ) 'আফ্‌কে'জ টেন' উপন্যাসখনৰ বিষয়বস্তু আৰু চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ৮+৮=১৬

★★★